**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-07-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে কাইলৈ দাখিল কৰিবলগীয়া কেন্দ্ৰীয় বাজেটে দেশৰ পৰৱৰ্তী ৫ বছৰৰ কাৰ্যকলাপৰ বাবে দিশ নিৰ্ণয় কৰাৰ লগতে ২০৪৭ বৰ্ষৰ বিকশিত ভাৰতৰ সপোনক বাস্তৱ ৰূপ দিবৰ বাবে ভেটি প্ৰস্তুত কৰিব।

২। সংসদৰ বাজেট অধিৱেশন আৰম্ভ হোৱাৰ পূৰ্বে আজি সংবাদ মাধ্যমক উদ্দেশ্যি শ্ৰী মোদীয়ে কয় যে তেওঁ জনসাধাৰণক প্ৰদান কৰা নিশ্চয়তাসমূহ কাৰ্যকৰী কৰাৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টি কৰিবলৈ চৰকাৰ অগ্ৰসৰ হৈছে।

৩। অৰ্থনৈতিক সমীক্ষাত চলিত বিত্তীয় বৰ্ষৰ বাবে মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ ৬ দশমিক ৫ৰ পৰা ৭ শতাংশ ধাৰ্য কৰা হৈছে।

৪। দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটাসমূহৰ বাবে মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া চলিত বৰ্ষৰ ১৫ ছেপ্তেম্বৰ পৰ্যন্ত মুকলি থাকিব।

আৰু

৫। শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত কাইলৈ নেপালৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে কাইলৈ দাখিল কৰিবলগীয়া কেন্দ্ৰীয় বাজেটে দেশৰ পৰৱৰ্তী ৫ বছৰৰ কাৰ্যকলাপৰ বাবে দিশ নিৰ্ণয় কৰাৰ লগতে ২০৪৭ বৰ্ষৰ বিকশিত ভাৰতৰ সপোনক বাস্তৱ ৰূপ দিবৰ বাবে ভেটি প্ৰস্তুত কৰিব। আজি সংসদৰ বাজেট অধিৱেশন আৰম্ভ হোৱাৰ পূৰ্বে সংসদ ভৱনৰ বাহিৰত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী মোদীয়ে কয় যে লোকসভাৰ শেহতীয়া নিৰ্বাচনত দেশৰ জনসাধাৰণে তেওঁলোকৰ ৰায় দান কৰে আৰু এতিয়াৰেপৰা পৰৱৰ্তী ৫ বছৰৰ বাবে সকলো ৰাজনৈতিক দলেই একেলগে কাম কৰাটো অপৰিহাৰ্য হৈ পৰিল। বিৰোধী দলসমূহে নিজৰ বিফলতাক ঢাকি ৰখাৰ চেষ্টাৰে সংসদৰ সময় ব্যৱহাৰ কৰা বুলি অভিযোগ কৰি এনে নেতিবাচক ৰাজনীতিৰ বাবে প্ৰধানমন্ত্ৰীয়ে তেওঁলোকক সমালোচনা কৰে। সংসদৰ বিগত অধিৱেশনত দেখা দিয়া অচলাৱস্থাৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয় যে বিৰোধী দলসমূহে সংসদত তেওঁৰ কণ্ঠ ৰুদ্ধ কৰিবলৈ চেষ্টা কৰিছিল আৰু গণতন্ত্ৰত এনে কৌশলৰ কোনো স্থান নাই।

সদনৰ কাম-কাজ ৰাজনৈতিক দলসমূহৰ স্বাৰ্থত নহয়, বৰঞ্চ দেশৰ স্বাৰ্থতহে সম্পন্ন হয় বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে ৰাজনৈতিক দলসমূহক তেওঁলোকৰ নিজস্ব কাৰ্যসূচীৰ পৰিৱৰ্তে দেশৰ সেৱাৰ হকে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। সাংসদসকলৰ প্ৰতি সেৱা আগবঢ়োৱাৰ পৰিৱৰ্তে দেশৰ ১৪০ কোটি নাগৰিকৰ প্ৰতি সেৱা আগবঢ়োৱাটোহে সদনৰ দায়িত্ব বুলি মত প্ৰকাশ কৰাৰ লগতে সংসদৰ প্ৰতিগৰাকী সদস্যক, বিশেষকৈ প্ৰথমবাৰৰ বাবে সদনলৈ অহা সদস্যসকলক তেওঁলোকৰ দৃষ্টিভংগী প্ৰকাশ কৰাৰ সুযোগ দিবলৈকো তেওঁ ৰাজনৈতিক দলসমূহৰ প্ৰতি আহ্বান জনায়।

বিগত তিনিটা বছৰত দেশত একেৰাহে প্ৰায় ৮ শতাংশকৈ অৰ্থনৈতিক বিকাশ সাধন হোৱা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে ভাৰতবৰ্ষক বিশ্বৰ অন্যতম দ্ৰুত বিকাশশীল অৰ্থনীতি বুলি অভিহিত কৰে। ইতিবাচক দৃষ্টিভংগী, বিনিয়োগ আৰু পাৰদৰ্শিতাৰ সুবাদত সম্প্ৰতি সুযোগৰ পৰিৱেশ শীৰ্ষত উপনীত হোৱা বুলিও তেওঁ মত প্ৰকাশ কৰে। শ্ৰী মোদীয়ে লগতে তেওঁ জনসাধাৰণক প্ৰদান কৰা নিশ্চয়তাসমূহ কাৰ্যকৰী কৰাৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টি কৰিবলৈ চৰকাৰ অগ্ৰসৰ হৈছে বুলিও নিশ্চিত কৰি দিয়ে।

বাজেট অধিৱেশনক দেশৰ গৌৰৱময় গণতান্ত্ৰিক যাত্ৰা পথৰ এটা গুৰুত্বপূৰ্ণ লক্ষ্যস্থান বুলি অভিহিত কৰি প্ৰধানমন্ত্ৰীয়ে ৰাজনৈতিক দলসমূহক দলগত আদৰ্শৰ ঊৰ্ধলৈ উঠি পৰৱৰ্তী চাৰে চাৰি বছৰত দেশৰ প্ৰতি নিজক উৎসৰ্গা কৰিবলৈ আহ্বান জনায়। সকলো ৰাজনৈতিক দলেই ২০২৯ চনৰ নিৰ্বাচনৰ সময়ত ৰাজনৈতিক ৰণত নামি পৰিব পৰাকৈ কৃষক, যুৱ সম্প্ৰদায় আৰু সামগ্ৰিকভাৱে দেশক শক্তিশালী কৰাৰ কামত অংশগ্ৰহণ কৰা উচিত বুলিও তেওঁ মত প্ৰকাশ কৰে।

০০০০০০০০০

২০২৩-২৪ বৰ্ষৰ অৰ্থনৈতিক সমীক্ষাত চলিত বিত্তীয় বৰ্ষৰ বাবে মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ ৬ দশমিক ৫ৰ পৰা ৭ শতাংশ ধাৰ্য কৰা হৈছে। সংসদৰ বাজেট অধিৱেশনৰ আজি প্ৰথম দিনা লোকসভাত অৰ্থনৈতিক সমীক্ষা দাখিল

কৰি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে এই তথ্য প্ৰকাশ কৰে। সমীক্ষাত প্ৰকাশ পোৱা মতে গোলকীয় অৰ্থনীতিৰ ক্ষেত্ৰখনৰ অনিশ্চয়তা সত্বেও ২০২৩-২৪ বিত্তীয় বৰ্ষত ঘৰুৱা উৎপাদনত অৰ্থনৈতিক বিকাশ সম্ভৱপৰ হৈ উঠে।

০০০০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত স্বাস্থ্য আৰু কৃষি বিভাগে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধপান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসূতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। ৩ মাহজোৱা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০০০০

দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটাসমূহৰ বাবে মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া চলিত বৰ্ষৰ ১৫ ছেপ্তেম্বৰ পৰ্যন্ত মুকলি থাকিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এই সন্দৰ্ভত প্ৰকাশ কৰা মতে পদ্ম বঁটাৰ বাবে মনোনয়ন আৰু পৰামৰ্শসমূহ ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেলত অনলাইন ব্যৱস্থাৰ জৰিয়তে গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে পদ্ম বিভূষণ, পদ্ম ভূষণ আৰু পদ্মশ্ৰী হিচাপে অভিহিত এই পদ্ম বঁটাসমূহ হ'ল - দেশৰ সৰ্বোচ্চ পৰ্যায়ৰ অসামৰিক সন্মান। ১৯৯৫ চনত প্ৰৱৰ্তন কৰা এই বঁটাসমূহ প্ৰতি বছৰে গণৰাজ্য দিৱসৰ সৈতে সংগতি ৰাখি ঘোষণা কৰা হয়। কলা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, ভেষজ, সামাজিক কৰ্ম, বাণিজ্য আৰু উদ্যোগ তথা বিজ্ঞান আৰু অভিযান্ত্ৰিক ক্ষেত্ৰলৈ আগবঢ়োৱা বিশিষ্ট তথা ব্যতিক্ৰমী সেৱাৰ প্ৰতি স্বীকৃতি প্ৰদানৰ উদ্দেশ্যে এই বঁটাসমূহ আগবঢ়োৱা হয়। উল্লেখযোগ্য যে চিকিৎসক আৰু বিজ্ঞানীসকলৰ বাহিৰে ৰাজহুৱা খণ্ডৰ অন্তৰ্গত প্ৰতিষ্ঠানত কৰ্মৰত লোকসকলকে ধৰি চৰকাৰী চাকৰিয়ালসকল এই বঁটাৰ বাবে মনোনীত নহয়।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীৰ ভাৰত মণ্ডপমত বিশ্ব ঐতিহ্য সমিতিৰ ৪৬ সংখ্যক অধিৱেশন মুকলি কৰে। ভাৰতত প্ৰথমবাৰৰ বাবে আয়োজন কৰা বিশ্ব ঐতিহ্য সমিতিৰ এই অধিৱেশনখনৰ অহা ৩১ জুলাইত সামৰণি পৰিব। অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, ভাৰত গোলকীয় সহযোগিতা প্ৰচাৰ কৰা তথা ঐতিহ্য সংৰক্ষণৰ প্ৰচেষ্টাত স্থানীয় সম্প্ৰদায়সমূহক জড়িত কৰাৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিবদ্ধ। ভাৰতৰ ঐতিহ্য কেৱল এটা ইতিহাসেই নহয়, বৰঞ্চ বিজ্ঞানো বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, বিগত বছৰসমূহত চৰকাৰে ৩৫০ৰো অধিক প্ৰাচীন ঐতিহ্যক্ষেত্ৰৰ মৰ্যাদা ওভতাই আনিছে। শ্ৰীমোদীয়ে উল্লেখ কৰে যে এই প্ৰাচীন ঐতিহ্যক্ষেত্ৰসমূহৰ মৰ্যাদা ওভতাই অনাটোৱে গোলকীয় উদাৰতা আৰু ইতিহাসৰ প্ৰতি সন্মানকে প্ৰতিফলিত কৰে। তেওঁ কয় যে, বিশ্বৰ আটাইতকৈ পুৰণি সভ্যতাসমূহৰ অন্যতম ভাৰতত বিশ্ব ঐতিহ্য সমিতিৰ এই অধিৱেশন অনুষ্ঠিত হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতে ইউনেস্কোৰ বিশ্ব ঐতিহ্য কেন্দ্ৰলৈ ১০ লাখ ডলাৰৰ অনুদান আগবঢ়োৱাৰ কথাও ঘোষণা কৰে। তেওঁ কয় যে এই অনুদান দক্ষতা নিৰ্মাণ, প্ৰযুক্তিগত সহযোগিতা তথা বিশ্ব ঐতিহ্য ক্ষেত্ৰসমূহৰ সংৰক্ষণৰ বাবে ব্যৱহাৰ কৰা হ'ব। তদুপৰি বিশেষকৈ গোলকীয় দক্ষিণৰ দেশসমূহৰ বাবে এই অনুদান ব্যৱহাৰ কৰা হ'ব বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে বিকাশ তথা ঐতিহ্য হৈছে ভাৰতৰ দৰ্শন। বিগত ১০ বছৰত ভাৰতে আধুনিক বিকাশৰ নতুন নতুন মাত্ৰা স্পৰ্শ কৰাৰ লগতে ইয়াৰ ঐতিহ্যসমূহ সংৰক্ষণৰ বাবে অভূতপূৰ্ব পদক্ষেপ গ্ৰহণ কৰিছে বুলিও তেওঁ প্ৰকাশ কৰে। অসমৰ ঐতিহাসিক মৈদামসমূহক ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা হৈছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে এয়া হ'ব দেশৰ ৪৩ সংখ্যক তথা উত্তৰ-পূব ভাৰতৰ প্ৰথমটো বিশ্ব ঐতিহ্য ক্ষেত্ৰ, যাক সাংস্কৃতিক বিশ্ব ঐতিহ্য ক্ষেত্ৰ আখ্যা দিয়া হ'ব।

অনুষ্ঠানত অংশগ্ৰহণ কৰি সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে কয় যে এই অধিৱেশনে আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় প্ৰতিনিধিসকলৰ সন্মুখত ভাৰতৰ বৰ্ণাঢ্য সংস্কৃতি, ঐতিহ্য আৰু ইয়াৰ বিচিত্ৰতাক প্ৰদৰ্শন কৰাৰ সুযোগ প্ৰদান

কৰিছে। তদুপৰি এই অধিৱেশনতে ভাৰতে নিজৰ ঐতিহাসিক আৰু সাংস্কৃতিক ঐতিহ্যসমূহৰ সংৰক্ষণৰ ক্ষেত্ৰত গ্ৰহণ কৰা প্ৰচেষ্টাসমূহো প্ৰদৰ্শন কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে।

উল্লেখযোগ্য যে, বিশ্ব ঐতিহ্য সমিতিৰ বৈঠক প্ৰতি বছৰে এবাৰকৈ অনুষ্ঠিত হয়। এই সমিতিয়ে বিশ্ব ঐতিহ্যৰ সৈতে জড়িত সকলো বিষয় চোৱা-চিতা কৰাৰ লগতে বিশ্ব ঐতিহ্যৰ তালিকাত অন্তৰ্ভুক্ত হ'বলগীয়া ক্ষেত্ৰসমূহৰ বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰে। অধিৱেশনত বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত মনোনীত নতুন স্থানৰ বাবে প্ৰস্তাৱ, বৰ্তমানৰ ১২৪টা বিশ্ব ঐতিহ্য সম্পদ সংৰক্ষণৰ স্থিতিৰ প্ৰতিবেদন, আন্তঃৰাষ্ট্ৰীয় সাহায্য আৰু বিশ্ব ঐতিহ্য পুঁজিৰ ব্যৱহাৰ আদিৰ বিষয়েও আলোচনা কৰা হ'ব। অধিৱেশনত ১৫০ খন দেশৰ দুহেজাৰতকৈও অধিক আন্তঃৰাষ্ট্ৰীয় আৰু দেশীয় প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে।

ooooooooo

শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত কাইলৈ নেপালৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় মহিলা দলটোৱে এতিয়ালৈকে ৪ পইণ্ট লাভ কৰি শৃংখলাটোত আগবাঢ়ি আছে। প্ৰতিযোগিতাত ভাৰতে কালি সংযুক্ত আৰব আমেৰিক ৭৮ ৰানত পৰাস্ত কৰে। ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২০১ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অধিনায়ক হৰমনপ্ৰীত কৌৰে ৬৬ ৰান আৰু উইকেট কিপাৰ ৰিছা ঘোষে ৬৪ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত উই এ ই-এ নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১২৩ ৰানহে কৰিবলৈ সক্ষম হয়।

ooooooo

**সমাপ্ত**